3

Total No. of Printed Pages—4

**2 SEM TDC ASM MIL (A) 2**

**2012**

( May )

ASSAMESE

( Modern Indian Language )

**( Arts )**

Course : 201

**( অসমীয়া ভাষাৰ প্ৰায়োগিক জ্ঞান )**

*Full Marks : 80*

*Pass Marks* : 32

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। পোনপটীয়া উত্তৰ দিয়াঁ : ১×৮=৮

(ক) অসমীয়া ভাষাৰ অভিধানত ব্যৱহৃত সংক্ষিপ্ত ৰূপ 'ক্ৰি.-বিণ.' আৰু 'কৃ.'ৰ পূৰ্ণ ৰূপ লিখাঁ।

(খ) অসমীয়া পৰিভাষা লিখাঁ :

State Administration, Attested.

(গ) 'অসমীয়া আখৰ জোঁটনী সমীক্ষা' পুথিখনৰ ৰচয়িতাজনৰ নাম লিখাঁ।

(ঘ) অসমীয়া ভাষাত 'ই' আৰু 'ঈ' ধ্বনিৰ উচ্চাৰণগত পাৰ্থক্য আছেনে?

(ঙ) মূৰব্বী/মুৰব্বী, আশীষ/আশিস — শুদ্ধ ৰূপ দুটা লিখাঁ।

(চ) অ.ভা.উ.সা-ৰ সম্পূৰ্ণ ৰূপটো লিখাঁ।

(ছ) ; এই চিনটোক কি চিন নামে জনা যায়?

(জ) 'বি.দ্র.' আৰু 'ধ্রুং' শব্দ দুটাৰ পূৰ্ণ ৰূপ লিখাঁ।

২। (ক) তোমাৰ অঞ্চলৰ শৈক্ষিক উন্নয়নৰ বাবে পৰামৰ্শসহ সংশ্লিষ্ট বিভাগৰ দৃষ্টি আকৰ্ষণ কৰি দৈনিক বাতৰি কাকত এখনৰ সম্পাদকলৈ এখন পত্ৰ লিখাঁ।

*অথবা*

(খ) এখন বিদ্যালয়ত খালী হৈ থকা সহকাৰী শিক্ষক পদত নিযুক্তিৰ বাবে তোমাৰ শিক্ষাগত অৰ্হতা উল্লেখ কৰি প্ৰধান শিক্ষকলৈ এখন আবেদন পত্ৰ লিখাঁ।

৩। (ক) কাৰ্য-বিৱৰণী বুলিলে কি বুজা? কাৰ্য-বিৱৰণী লিখোঁতে গুৰুত্ব দিবলগা বিষয়সমূহ কি কি? মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ উদ্যোগত অনুষ্ঠিত নৱাগত আদৰণী সভাৰ এখন কাৰ্য-বিৱৰণী যুগুত কৰাঁ। ২+৩+৫=১০





*অথবা*

(খ) সংক্ষিপ্ত ৰূপ বুলিলে কি বুজা? অসমীয়া অভিধানত প্ৰয়োগ হোৱা সংক্ষিপ্ত ৰূপৰ এখনি উমৈহতীয়া তালিকা প্ৰস্তুত কৰাঁ। ৩+৭=১০

৪। (ক) 'অনুবাদ'ৰ সংজ্ঞা উল্লেখ কৰি অনুবাদকৰ সীমাবদ্ধতা আৰু সমস্যা সম্পৰ্কে এটি প্ৰবন্ধ লিখাঁ। ৯

*অথবা*

(খ) অনুবাদৰ লক্ষ্য আৰু অনুবাদকৰ অৰ্হতা সম্পৰ্কে এটি চমু আভাস দিয়াঁ। ৪+৫=৯

৫। তলৰ যি কোনো এটি অংশ অসমীয়া ভাষালৈ অনুবাদ কৰাঁ : ৫

(ক) I have a dream that one day on the red hills of Georgia, sons of former slaves and the sons of former slave owners will be able to sit down together at the table of brotherhood. I have a dream that my four little children will one day live in a nation where they will not be judged by the colour of their skin, but by the content of their character.

(খ) A statement may be used for the sake of reference, true or false, which it causes. This is the scientific use of language. But it may also be used for the sake of effects in emotion and attitude produced by the reference it occasions. This is the emotive use of language.

৬। পৰিভাষা বুলিলে কি বুজা? অসমীয়া প্ৰশাসনিক পৰিভাষাৰ এটি পৰিচয়সূচক টোকা প্ৰস্তুত কৰাঁ। ৩+৭=১০

৭। (ক) অসমীয়া ভাষাটো শুদ্ধকৈ উচ্চাৰণ কৰাৰ ক্ষেত্ৰত দেখা দিয়া সমস্যাসমূহৰ বিষয়ে আলোচনা কৰাঁ। ৯

অথবা

(খ) অসমীয়া ভাষাৰ শব্দ গঠনৰ প্ৰক্ৰিয়াসমূহ উল্লেখ কৰি এটি আলোচনা আগবঢ়োৱাঁ।

৮। চমু টোকা লিখাঁ (যি কোনো চাৰিটা) : ৪×৪=১৬

(ক) অসমীয়া ভাষাৰ জতুৱা প্ৰয়োগ

(খ) অসমীয়া ভাষাৰ বৰ্ণাশুদ্ধিৰ কাৰণসমূহ

(গ) মিশ্ৰ শব্দ

(ঘ) মিশ্ৰ বা জটিল বাক্য

(ঙ) মানৱদেহৰ অঙ্গ-প্ৰত্যঙ্গৰ আধাৰত সৃষ্টি হোৱা খণ্ডবাক্য

(চ) উক্তি অনুযায়ী বাক্যৰ প্ৰকাৰ ভেদ

৯। ভাব আৰু সুৰ লহৰ অনুযায়ী যতি চিন প্ৰয়োগ কৰাঁ : ৫

শিয়ালে হাঁহি মুখেৰে বান্দৰৰ ফালে চাই মাত লগালে এই ডৰা ৰজাৰ পুৰা কুঁহিয়াৰ মোক ৰজাঘৰৰ পৰা ৰখীয়া পাতিছে দেখি ৰখি আছোঁ কিনো কৰিম দেওহে ৰজাৰ হুকুম কুঁহিয়াৰৰ নাম শুনিয়েই বান্দৰৰ মুখৰ পানী ওলাল বান্দৰে ক'লে সখি মোক সৰু চাই এডালি খাবলৈ দিবানে শিয়ালে উত্তৰ দিলে আও তুমিনো কি কোৱাহে

★★★